**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-MAY-2026 **Time :** 1845HRS

***Assamese Evening Bulletin***

**Headlines (15-05-2026) 1845 Hrs.**

১। জ্যেষ্ঠ বিজেপি নেতা চন্দ্ৰমোহন পাটোৱাৰীৰ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ।

২। ৰাজ্যৰ সত্ৰসমূহৰ দখলীকৃত মাটি পুনৰ উদ্ধাৰৰ বাবে সত্ৰ আয়োগে পূৰ্বৰ দৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰৰ কেচ ডায়েৰী দাখিল কৰিবলৈ আদালতৰ নিৰ্দেশ।

৪। যোৱা নিশাৰে পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত বৰাক উপত্যকাৰ বিভিন্ন অঞ্চল জলমগ্ন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ আৰু চেন্নাই চুপাৰ কিংছৰ খেল।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা নৱনিৰ্বাচিত বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত শ্ৰী পাটোৱাৰীক শপতবাক্য পাঠ কৰোৱায়। ৰাজ্যপালে কালি বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক যোড়শ অসম বিধানসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। স্থায়ী অধ্যক্ষ নিৰ্বাচিত নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ পৰিচালনা কৰিব। উল্লেখযোগ্য যে অহা ২১ মে'ত আৰম্ভ হ'বলগীয়া যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষগৰাকীয়ে নৱনিৰ্বাচিত বিধায়কসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ইয়াৰ পাছতে বিধানসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন কৰা হ'ব। শাসকীয় বিজেপিয়ে বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ হিচাপে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসক মনোনীত কৰিছে।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সত্ৰসমূহৰ দখলিকৃত মাটি পুনৰ উদ্ধাৰৰ বাবে সত্ৰ আয়োগে পূৰ্বৰ দৰে কাম কৰি যাব বুলি প্ৰকাশ কৰিছে। দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থান পৰিদৰ্শন কৰি ড° শৰ্মাই আজি এইদৰে মন্তব্য কৰে। আজি পুৱাৰ ভাগতে এখন বিশেষ হেলিকপ্তাৰেৰে মুখ্যমন্ত্ৰী ড০ শৰ্মা শ্ৰী শ্ৰী বটদ্ৰৱা থানত উপস্থিত হয়। তেওঁ থানত সেৱা আগবঢ়োৱাৰ পাছত থান পৰিচালনা সমিতিৰ সৈতে আলোচনাত মিলিত হয়। পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে থানখনক ধৰ্মীয় ঐতিহ্যবাহী স্থানলৈ ৰূপান্তৰিত কৰাৰ

বাবে চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কল্পনা কৰা অসম গঢ়াৰ বাবে কাম কৰি যোৱাৰ লগতে দেশ আৰু জাতিৰ বাবে সেৱা আগবঢ়াব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা, NEET পুনৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। সংস্থাটোৱে পৰীক্ষাৰ্থীসকলক কেৱল এন টি এৰ দ্বাৰা প্ৰকাশিত তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে যোৱা ৩ মে'ত প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে NEET বাতিল কৰা হৈছিল।

NEETৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি সন্ধিয়া কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ বাসগৃহত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত উচ্চশিক্ষা বিভাগৰ সচিব, বিদ্যালয় শিক্ষা বিভাগৰ সচিব, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধান, চি বি এছ্ ইৰ অধ্যক্ষ আৰু কেন্দ্ৰীয় বিদ্যালয় সংগঠন আৰু নৱোদয় বিদ্যালয়ৰ আয়ুক্তৰ লগতে অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি প্ৰচাৰনে ৬৯ বছৰ পূৰ্ণ কৰি আজি ৭০ বছৰত পদাৰ্পণ কৰিছে। ১৯৫৭ চনৰ আজিৰ দিনটোতেই প্ৰথমবাৰৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰযোগে আঞ্চলিক বাতৰি প্ৰচাৰ হৈছিল। আঞ্চলিক বাতৰি প্ৰচাৰৰ ৬৯ বছৰ জোৱা অবিৰত প্ৰক্ৰিয়াত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অসমৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ শ্ৰোতাক সামৰি লৈছে। বৰ্তমান তথ্য প্ৰযুক্তি আৰু বা-বাতৰিৰ অনেক উৎসৰ সময়তো আকাশবাণীৰ বাতৰিৰ প্ৰতি শ্ৰোতাৰ অনুৰাগ আছে। শ্ৰোতাসকলৰ বাবে আকাশবাণীৰ আঞ্চলিক বাতৰি বিশ্বাসযোগ্য, তথ্যনিৰ্ভৰ, নিৰপেক্ষ বুলি বিবেচিত হৈ আহিছে।

সময়ৰ লগত খোজ মিলাই বৰ্তমান বিভাগটোৱে দৈনিক কেইবাখনো বাতৰি বুলেটিন পৰিৱেশনৰ লগতে সামাজিক মাধ্যমযোগেও আঞ্চলিক বাতৰি প্ৰচাৰ কৰি আহিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বৰ্তমান ইউটিউব চেনেল AIR News Guwahati আৰু News on AIRৰ লগতে এক্স হেণ্ডেলতো শুনিবলৈ পোৱা যায়।

০০০০০০০

অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিপৰীতে জনসাধাৰণৰ মাজত বিজ্ঞানমনস্কতাৰ প্ৰসাৰৰ উদ্দেশ্যে কাম কৰি অহা অগ্ৰণী সংস্থা ইলোৰা বিজ্ঞান মঞ্চৰ আজি ত্ৰিবিংশ প্ৰতিষ্ঠা দিৱস ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বঙাইগাৱতো উদযাপন কৰা হয়। জিলাখনৰ বীৰঝৰা চাহ বাগিছা আদৰ্শ বিদ্যালয় প্ৰাঙ্গনত আয়োজন কৰা এই প্ৰতিষ্ঠা দিৱসত মঞ্চৰ আঞ্চলিক সমিতিৰ সভাপতি ড০ শংকৰ কুমাৰ দাসে পতাকা উত্তোলন কৰে। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি **অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু আমাৰ সমাজ ব্যৱস্থা** শীৰ্ষক এখন আলোচনা চক্ৰও অনুষ্ঠিত হয়।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰৰ কেচ ডায়েৰী দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। অভিযুক্ত পক্ষ আৰু চৰকাৰী পক্ষৰ যুক্তি শুনাৰ অন্তত ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে ২২ মে'ত জামিন আবেদনখনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে। সেইদিনাই চৰকাৰী পক্ষই গোচৰৰ কেচ ডায়েৰী দাখিল কৰিব লাগিব। আজি জামিনৰ শুনানিত কলকাতাৰ পৰা ভাৰ্চুৱেল মাধ্যমেৰে অংশ লয়। অধিবক্তা ৰাজদীপ বেনাৰ্জীয়ে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি দৰ্শায় আৰু চৰকাৰী পক্ষৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ওকালতি কৰে। শ্যামকানু মহন্তৰ অধিবক্তাই জামিন আবেদনখনৰ ভিত্তিত কেতবোৰ আনুসঙ্গিক নথিপত্ৰ শপতনামা আকাৰে দাখিল কৰিবলৈ আদালতৰ পৰা অনুমতি বিচাৰে। সেই অনুসৰি আদালতে অহা ১৮ মে'ত শপতনামা দাখিল কৰিবলৈ অধিবক্তাগৰাকীয়ে অনুমতি দিয়ে। আজি আদালতত অনুষ্ঠিত এই শুনানিত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ বিশেষ লোক অধিবক্তা জিয়াউৰ কামাৰৰ লগতে গৰিমা শইকীয়া গাৰ্গৰ হৈ প্ৰতিনিধিত্ব কৰা অধিবক্তাকেইগৰাকীও উপস্থিত থাকে।

oooooo

যোৱা নিশাৰে পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত বৰাক উপত্যকাৰ বিভিন্ন প্ৰান্তত বানৰ সৃষ্টি হৈছে। শ্ৰীভূমি জিলাত অব্যাহত থকা ধাৰাসাৰ বৰষুণৰ ফলত জিলাখনৰ নদ-নদীসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। শ্ৰীভূমি চহৰৰ বহু অঞ্চল জলমগ্ন হৈ পৰিছে। ৰাস্তাঘাটতো একাঠু পৰ্যন্ত পানী হোৱাত ৰাইজে দুৰ্ভোগৰ সন্মুখীন হ'বলগীয়া হৈছে। অঞ্চলটোত জলবন্দী হৈ পৰা লোকসকলক এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰৰ বাবে অভিযান চলায়। উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক জাকাৰিয়া আহমেদে জলমগ্ন ৰামকৃষ্ণ মিছনৰ পৰিস্থিতিৰ বুজ লৈ স্থানীয় লোকসকলক সহায়-সহযোগিতাৰ আশ্বাস দিয়ে। জিলাখনৰ মূল নদীসমূহৰ জলস্তৰ বৃদ্ধি পালেও এতিয়াও বিপদসীমাৰ তলতেই আছে। অৱশ্যে সংশ্লিষ্ট বিভাগে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে।

ইপিনে, কাছাৰ জিলাৰ কাটিগড়া আৰু বদৰপুৰ অঞ্চলত বৰষুণৰ বাবে সৃষ্টি হোৱা কৃত্ৰিম বানত বহু লোকৰ ঘৰ-দুৱাৰ, দোকান-পোহাৰ জলমগ্ন হৈ পৰিছে। বিশেষকৈ কাটিগড়াৰ চৌৰঙীত জনবসতিপূৰ্ণ অঞ্চলত এককাল পৰ্যন্ত পানী হৈছে। অঞ্চলটোত পানী নিষ্কাষণৰ সুব্যৱস্থা নথকাৰ ফলতেই এজাক বৰষুণতে পানী জমা হয়। যোৱা নিশাৰে পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত আজি বান পৰিস্থিতি অধিক ভয়াবহ হৈ পৰে। পাহাৰৰ পানীৰ প্ৰৱল প্ৰবাহৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথতো যান-বাহন চলাচল ব্যাহত হৈ পৰে। বহুকেইখন যান-বাহন ৰাজপথতে পানী বাবে আৱদ্ধ হৈ পৰে। কাটিগড়াৰ বিধায়ক কমলাক্ষ দে পুৰকায়স্থই জলমগ্ন চৌৰঙীত উপস্থিত হৈ অঞ্চলসমূহ পৰিদৰ্শন কৰি শীঘ্ৰেই পানী নিষ্কাষণৰ বাবে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে।

ইপিনে, বাৰিষা কালত হ'ব পৰা বিভিন্ন সমস্যা প্ৰস্তুতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে আজি শদিয়া সমজিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত সকলো বিভাগৰ মুৰব্বী আৰু শদিয়া আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooooo

লখিমপুৰৰ নাৰায়নপুৰৰ শ্ৰী শ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অহা ১৭ মে'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰী শ্ৰী মাধৱদেৱ কলাক্ষেত্ৰ দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সেইদিনা বিয়লি ৫ বজাৰ পৰা কলাক্ষেত্ৰ চৌহদত অৱস্থিত **শ্ৰী শ্ৰী বদলা পদ্মআতা কলাতীৰ্থ** প্ৰেক্ষাগৃহত এখনি

গাম্ভীৰ্যপূৰ্ণ সভাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে বৰনাৰায়নপুৰ অঞ্চলৰ স্বাধীনতা সংগ্ৰামী নিৰ্মলা গোস্বামী, অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী কেশৰাম বৰা, সমাজসেৱী গোলোক হাজৰিকা আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক হৰিচৰণ শইকীয়াক সম্বৰ্ধনা জনোৱা হ'ব। এই মুকলি সভাতে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আৰু শ্ৰী শ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰৰ দ্বাৰা সম্পাদিত দ্বিবাৰ্ষিক মুখপত্ৰ **সুৰ-সম্ভাৰ** উন্মোচন কৰা হ'ব।

০০০০০০০

ধেমাজি জিলা শিক্ষা বিষয়া তথা জিলাখনৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈয়ে জিলাখনৰ মাধ্যমিক পৰ্য্যায়ৰ শিক্ষকৰ সৈতে এলানি শৈক্ষিক প্ৰশিক্ষণ কাৰ্য্যসূচীত মিলিত হৈ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। ধেমাজি জিলা হাইস্কুল শিক্ষক সংস্থাৰ যৌথ উদ্যোগত যোৱা ১১ মে'ৰ পৰা অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্য্যসূচীত মুঠ ১৫৪খন বিদ্যালয়ৰ ৯৫০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশ গ্ৰহণ কৰে।

পি এম শ্ৰী গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ১১ মে'ৰ পৰা অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ আজি সামৰণি পৰে। জিলাখনৰ বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়, পি এম শ্ৰী মাছখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নৰোৱাথান জ্যোতিৰূপা উচ্চ মাধ্যমিক বিদ্যালয় আদিকে ধৰি কেইবাখনো বিদ্যালয়ত এই প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয়। আজি সামৰণিৰ দিনা বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈয়ে শিক্ষাৰ্থী সকলৰ দৰে শিক্ষক-শিক্ষয়িত্ৰী সকলকো লক্ষ্য স্থিৰ কৰি সপোন দেখিবলৈ আহ্বান জনায়।

০০০০০০০

মৰিগাঁও জিলাৰ দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে এ ডি আই পি আৰু আৰ ভি ৱাই আঁচনিৰ অধীনত সহায়ক সামগ্ৰী বিতৰণৰ উদ্দেশ্যে আজি মৰিগাঁৱৰ শিলচাং ৰংগমঞ্চত এখন জিলা পৰ্যায়ৰ সামগ্ৰী বিতৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মৰিগাঁও জিলা আয়ুক্ত অনামিকা তিৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকি দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ জীৱনৰ মান উন্নত কৰাৰ লক্ষ্যৰে চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন কল্যাণমূলক আঁচনি আৰু সুবিধাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে বিতৰণ কৰা সহায়ক সামগ্ৰীসমূহ সঠিক আৰু ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰি অধিক স্বাৱলম্বী মৰ্যাদাপূৰ্ণ আৰু স্বাচ্ছন্দময় জীৱন যাপন কৰিবলৈ দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলক আহ্বান জনায়। এই আঁচনি দুখনৰ অধীনত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সহযোগত জিলাখনৰ মুঠ এহেজাৰ ২৭ গৰাকী লোকক বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়।

০০০০০০০

কোকৰাঝাৰৰ এখন বিশেষ পকছ্‌ আদালতে ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত কৰি মহাৰ আলী নামৰ এজন লোকক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। ইয়াৰ লগতে দোষীক ২০ হাজাৰ টকাৰ জৰিমনাও বিহিছে। ২০২২ চনৰ জুলাইত এগৰাকী ১৫ বছৰীয়া এগৰাকী নাবালিকাক ধৰ্ষণৰ অভিযুক্ত মহাৰ আলীক আদালতখনে এই শাস্তি বিহিছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব

জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰজ্জাক ভূঞা আৰু অধিবক্তা জ্যোতিস্মিতা শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অৰূপ কুমাৰ শৰ্মাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০০

বঙাইগাওঁ জিলাৰ  উত্তৰ শালমাৰাৰ চিলাৰায় জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্য্যসূচীৰ অংশ হিচাপে আজি মাতৃ প্ৰণাম শীৰ্ষক বিশেষ কাৰ্য্যসূচী অনুষ্ঠিত হয়। বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা জন্মদাত্ৰী মাতৃক মৰ্য্যাদা আৰু সন্মান জনোৱাৰ উদ্দেশ্যে বিদ্যালয় কৰ্তৃপক্ষই এই কাৰ্য্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানতে অসম ৰাজ্যিক বৃত্তি পৰীক্ষাত সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি প্ৰদান কৰা হয়।

০০০০০০০

বজালী বিধানসভা সমষ্টিৰ এন ডি এ মিত্ৰজোঁটৰ সমৰ্থিত অসম গণ পৰিষদৰ নৱ নিৰ্বাচিত বিধায়ক ধৰ্মেশ্বৰ ৰয়ক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। অগপ বজালী বিধানসভা সমষ্টিৰ সমিতি আৰু বিজেপিৰ বজালী জিলাৰ যুটীয়া উদ্যোগত পাঠশালাৰ ভগৱতী ক্ষেত্ৰত এই সম্বৰ্দ্ধনা সভাৰ আয়োজন কৰা হয়। বজালী উচ্চতৰ মাধ্যমিক খেলপথাৰৰ পৰা ভগৱতী ক্ষেত্ৰলৈ এটা বিশাল শোভাযাত্ৰাৰে নৱনিৰ্বাচিত বিধায়ক গৰাকীক সম্বৰ্দ্ধনা সভালৈ আদৰি নিয়া হয়। এই সভাত বিধানসভাৰ অধ্যক্ষ হিচাপে মনোনীত কৰা ভৱনীপুৰ সৰভোগ সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ৰঞ্জিত কুমাৰ দাস, সাংসদ ফণীভূষণ চৌধুৰী আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়াৰ চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে।

০০০০০০০

গোলাঘাট জিলাৰ দেৰগাওঁৰ বিশিষ্ট শিক্ষাবিদ তথা ডি কে ডি কলেজৰ দ্বিতীয়গৰাকী অধ্যক্ষ নীলপদ্ম ফুকনৰ আজি মৃত্যু হয়। শিক্ষকতাৰ উপৰিও প্ৰয়াত ফুকন দেৰগাওঁ সাহিত্য সভা, দেৰগাওঁ নাগৰিক সন্থাৰ প্ৰতিষ্ঠাৰ লগতে অসম সাহিত্য সভাৰ দেৰগাওঁ অধিবেশনৰ আদৰণি সমিতিৰ সভাপতি হিচাপে সেৱা আগবঢ়াইছিল। তেওঁ কেইবাখনো গ্ৰন্থ ৰচনা কৰাৰ উপৰিও ৫ খন অনুবাদ গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভৰাঁললৈ অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ মৃত্যুত সমগ্ৰ দেৰগাওঁ অঞ্চলত শোকৰ ছাঁ পৰে।

০০০০০০০

গোলাঘাট জিলাৰ পদুমণি নিবাসী অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা সমাজসেৱক চেনিৰাম গগৈৰ কালি যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ।

০০০০০০০